**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় মন্ত্ৰীসভাৰ কেইবাগৰাকীও মন্ত্ৰীয়ে আজি কাৰ্যভাৰ গ্ৰহণ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ভাৰতৰ জনসাধাৰণে সদায় শান্তি, নিৰাপত্তা আৰু প্ৰগতিশীল চিন্তাধাৰাৰ পোষকতা কৰি আহিছে।

৩। উচ্চতম ন্যায়ালয়ে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ বাবে নামভৰ্তি আৰু পৰামৰ্শ প্ৰক্ৰিয়াত স্থগিতাদেশ দিবলৈ অস্বীকাৰ কৰিছে।

৪। ভাৰতৰ পুৰুষৰ ফুটবল দলটো আজি ২০২৬ চনৰ ফিফা বিশ্বকাপ এ এফ চি কোৱালিফায়াৰ প্ৰতিযোগিতাৰ এখন খেলত কাটাৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

আৰু

৫। পাকিস্তান আজি নিউয়ৰ্কত হ’বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব

ooooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাৰ কেইবাগৰাকীও মন্ত্ৰীয়ে আজি কাৰ্যভাৰ গ্ৰহণ কৰিছে। অমিত শ্বাহে গৃহমন্ত্ৰী, ড° এছ জয়শংকৰে বিদেশ মন্ত্ৰী, কিৰেণ ৰিজিজুৱে সংসদীয় আৰু সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী, অশ্বিনী বৈষ্ণৱে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী, জে পি নাড্ডাই স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী, শিৱৰাজ সিং চৌহানে কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে পেট্ৰ’লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী, গজেন্দ্ৰ সিং শেখাৱটে সাংস্কৃতিক মন্ত্ৰী, জিতন ৰাম মাঝিয়ে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰী, জ্যোতিৰাদিত্য সিন্ধিয়াই যোগাযোগ মন্ত্ৰী, ভূপেন্দ্ৰ যাদৱে পৰিৱেশ মন্ত্ৰী, মনোহৰ লালে শক্তি মন্ত্ৰী, গিৰিৰাজ সিঙে বস্ত্ৰ মন্ত্ৰী, চিৰাগ পাছোৱানে খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰী, চি আৰ পাটিলে জল শক্তি মন্ত্ৰী, ড° জিতেন্দ্ৰ সিঙে কৰ্মচাৰী আৰু প্ৰশিক্ষণ দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী, অৰ্জুন ৰাম মেঘৱালে আইন আৰু ন্যায় দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী, জয়ন্ত চৌধৰীয়ে দক্ষতা বিকাশ আৰু উদ্যমশীলতা বিভাগৰ ৰাজ্য মন্ত্ৰী, সঞ্জয় শেঠে প্ৰতিৰক্ষা ৰাজ্য মন্ত্ৰী, সুৰেশ গোপীয়ে পেট্ৰ’লিয়াম আৰু প্ৰাকৃতিক গেছ ৰাজ্য মন্ত্ৰী, পৱিত্ৰ মাৰ্ঘেৰিটাই বস্ত্ৰ ৰাজ্য মন্ত্ৰী, অনুপ্ৰিয়া পেটেল আৰু যাদৱ প্ৰতাপ গণপত ৰায় স্বাস্থ্য ৰাজ্য মন্ত্ৰী তথা ড° এল মুৰুগনে তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিছে।

কাৰ্যভাৰ গ্ৰহণ কৰি বিদেশ মন্ত্ৰী ড° এছ জয়শংকৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ বিদেশ নীতি অতিকে ফলপ্ৰসূ হ’ব বুলি আস্থা প্ৰকাশ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ড° জয়শংকৰে কয় যে ৰাষ্ট্ৰ প্ৰথম আৰু বসুধৈৱ কুটুম্বকম দেশৰ বিদেশ নীতিৰ দুটা স্বতঃসিদ্ধ সিদ্ধান্ত হ’ব। তেওঁ কয় যে ভাৰতৰ প্ৰভাৱ ক্ৰমাগতভাৱে বৃদ্ধি পাই আহিছে আৰু অন্য দেশসমূহেও ভাৰতক বিপদৰ সময়ত কাষত থিয় হোৱা প্ৰকৃত বন্ধু বুলি গণ্য কৰিবলৈ লৈছে। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত বিশ্বত ভাৰতৰ পৰিচয় উজ্বলি উঠিব বুলি তেওঁ বিশ্বাস ব্যক্ত কৰে। পৰৱৰ্তী ৫ বছৰত পাকিস্তান আৰু চীনৰ সৈতে ভাৰতৰ সম্পৰ্ক সন্দৰ্ভত বিদেশ মন্ত্ৰীগৰাকীয়ে কয় যে একেখন চৰকাৰ একেৰাহে তৃতীয়বাৰলৈ ক্ষমতাত অধিষ্ঠিত হোৱাটো ডাঙৰ কথা আৰু বিশ্বই সম্প্ৰতি ভাৰতত ৰাজনৈতিক সুস্থিৰতা আছে বুলি অনুভৱ কৰিবলৈ লৈছে। পাকিস্তান আৰু চীনৰ ক্ষেত্ৰত ৰাষ্ট্ৰ দুখনৰ সৈতে থকা সীমা বিবাদৰ সমাধান সূত্ৰৰ অন্বেষণত গুৰুত্ব আৰোপ কৰা হ’ব। ভাৰতে সীমান্তেৰে চলোৱা সন্ত্ৰাসবাদৰ সমাধান বিচাৰে বুলিও তেওঁ উল্লেখ কৰে।

একেদৰে, কিৰেণ ৰিজিজুৱে সংসদীয় আৰু সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ৰ দায়িত্ব গ্ৰহণ কৰি সকলো ৰাজনৈতিক দল আৰু লোকসভা তথা ৰাজ্যসভাৰ সকলো সদস্যৰ সহযোগিতা কামনা কৰে। তেওঁ কয় যে সংসদত ভৰিষ্যতক লৈ আলাপ-আলোচনা হয় আৰু দেশৰ প্ৰতি সেৱাই সকলো সদস্যৰ মূল উদ্দেশ্য। শ্ৰী ৰিজিজুৱে কয় যে তেওঁ অৰ্জুন ৰাম মেঘৱাল আৰু এল মুৰুগণৰ সৈতে 'সবকা সাথ, সবকা বিকাশ' নীতি আগুৱাই লৈ যাব। চৰকাৰ অথবা বিৰোধী সকলোৱে জনাদেশৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা উচিত।

ইপিনে, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয় যে জনসাধাৰণে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দেশৰ প্ৰতি সেৱা আগবঢ়োৱাৰ বাবে সুযোগ প্ৰদান কৰিছে। তেওঁ কয় যে বিগত ১০ বছৰত শ্ৰী মোদীয়ে জনসাধাৰণৰ জীৱনলৈ আমূল পৰিৱৰ্তন আনিবলৈ সমৰ্থ হৈছে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ অৰ্থ ব্যৱস্থাক একাদশ স্থানৰ পৰা পঞ্চম স্থানলৈ অনাত সহায় কৰিছে।

আনহাতে, কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগৰ স্বতন্ত্ৰ ৰাজ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি জিতেন্দ্ৰ সিঙে কয় যে বিগত ১০ বছৰত দেশ প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত যুগান্তকাৰী প্ৰশাসনিক সংস্কাৰৰ সাক্ষী হৈছে আৰু এই প্ৰক্ৰিয়া আগলৈও অব্যাহত থাকিব। কাৰ্যভাৰ গ্ৰহণ কৰি দক্ষতা বিকাশ আৰু উদ্যমশীলতা ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধুৰীয়ে কয় যে তেওঁৰ মন্ত্ৰালয়ে বিকশিত ভাৰতৰ দৃষ্টিভংগী পূৰণত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। একেদৰে, ড° এল মুৰুগনে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয় যে চৰকাৰী আঁচনি আৰু নীতিসমূহক সমাজৰ শেষৰজন ব্যক্তিৰ ওচৰলৈ লৈ যোৱাৰ বাবে যোগাযোগ অতিকৈ গুৰুত্বপূৰ্ণ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশ বিকশিত ভাৰতৰ দিশে অগ্ৰসৰ হোৱা বুলি তেওঁ মন্তব্য কৰে।

একেদৰে, এল জে পি ৰামবিলাসৰ নেতা চিৰাগ পাছোৱানে খাদ্য প্ৰসংস্কৰণ উদ্যোগৰ মন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি কয় যে তেওঁ নিষ্ঠা সহকাৰে নিজৰ দায়িত্ব পালন কৰিব। তেওঁ লগতে খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰালয়ে খেতিয়কসকলক পোনপটীয়াকৈ লাভান্বিত কৰিব আৰু তেওঁলোকৰ আয় দুগুণলৈ বৃদ্ধি কৰাত সহায় কৰিব বুলি প্ৰকাশ কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ভাৰতৰ জনসাধাৰণে সদায় শান্তি, নিৰাপত্তা আৰু প্ৰগতিশীল চিন্তাধাৰাৰ পক্ষত থিয় দি আহিছে। পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা পি এম এল (এন)-ৰ মুৰববী নৱাজ শ্বৰীফে তৃতীয়বাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ সময়ত নৰেন্দ্ৰ মোদীক শুভেচ্ছা জনাবৰ বাবে সামাজিক মাধ্যমযোগে দিয়া বাৰ্তাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শ্ৰী মোদীয়ে এই কথা কয়। প্ৰধানমন্ত্ৰীয়ে কৈছে যে জনসাধাৰণৰ মংগল আৰু নিৰাপত্তা সদায় তেওঁৰ অগ্ৰাধিকাৰ হৈ থাকিব। উল্লেখযোগ্য যে শেহতীয়া নিৰ্বাচনত বিজেপিৰ সফলতাই নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ প্ৰতি জনসাধাৰণৰ আস্থা প্ৰতিফলিত কৰে বুলি নৱাজ শ্বৰীফে উল্লেখ কৰিছিল।

পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফেও ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে তৃতীয়বাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰা নৰেন্দ্ৰ মোদীলৈ শুভেচ্ছা প্ৰেৰণ কৰিছে।

০০০০০০০০০

উচ্চতম ন্যায়ালয়ে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ বাবে নামভৰ্তি আৰু পৰামৰ্শ প্ৰক্ৰিয়াত স্থগিতাদেশ দিবলৈ অস্বীকাৰ কৰিছে। যোৱা ৫ মে'ত অনুষ্ঠিত হোৱা নীট ইউ জি পৰীক্ষা বাতিল কৰিব বিচৰা আবেদন সন্দৰ্ভত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা অৰ্থাৎ এন টি এৰ পৰা আদালতে উত্তৰ বিচাৰিছে। বিষয়টো সন্দৰ্ভত বাকী থকা আন এখন আবেদনৰ সৈতে অহা ৮ জুলাইত শুনানি গ্ৰহণ কৰা হ'ব। পৰীক্ষাৰ সৈতে জড়িত অসৎ কাম-কাজ আৰু জালিয়াতিৰ পুংখানুপুংখ তদন্তৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য সংগঠনে দাবী উত্থাপন কৰিছিল।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে যোগ হৈছে একতা আৰু সমন্বয়ক উদযাপন কৰা শাশ্বত অনুশীলন। দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস কাষ চাপি অহাৰ পৰিপ্ৰেক্ষিতত সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰিছে। বিবিধ সংস্কৃতি আৰু ভৌগোলিক বিচিত্ৰতাৰ মাজত সংযোগ স্থাপনৰ ক্ষেত্ৰত যোগৰ উল্লেখযোগ্য ক্ষমতাৰ বিষয়ত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কৈছে যে সামূহিক কল্যাণৰ বাবে যোগে সমগ্ৰ বিশ্বৰ লাখ লাখ লোকক একত্ৰিত কৰিছে। শ্ৰী মোদীয়ে কৈছে যে সকলোৰে যোগক নিজৰ জীৱনৰ অবিচ্ছেদ্য অংশ হিচাপে গঢ়ি তুলিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হ'ব লাগে আৰু আনকো ইয়াক নিজৰ অংশ হিচাপে গঢ়ি তুলিবলৈ উৎসাহিত কৰিব লাগে। প্ৰধানমন্ত্ৰীয়ে লগতে কৈছে যে যোগে শান্তি প্ৰদান কৰাৰ লগতে ধৈৰ্যৰে জীৱনৰ প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰাত সহায় কৰে। সামাজিক মাধ্যমত ভিডিঅ'ৰ জৰিয়তে বিভিন্ন আসন আৰু ইয়াৰ সুবিধাৰ বিষয়ে তেওঁ নিৰ্দেশনা আগবঢ়াইছে। এই ভিডিঅ'সমূহে জনসাধাৰণক নিয়মীয়াকৈ যোগাভ্যাস কৰিবলৈ অনুপ্ৰাণিত কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে প্ৰতিবছৰে ২১ জুনত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ভাৰত আৰু কাটাৰ উভয় দেশৰ মাজৰ দ্বি-পাক্ষিক সম্পৰ্ক অভূতপূৰ্ব শিখৰলৈ লৈ যাবলৈ বদ্ধপৰিকৰ। কাটাৰৰ আমিৰ এইচ এইচ শ্বেখ তামিম বিন হামাদ অল থানিৰ সৈতে হোৱা কথোপকথনৰ অন্তত শ্ৰী মোদীয়ে আজি সামাজিক মাধ্যমযোগে এইদৰে প্ৰকাশ কৰে।

ooooooooo

ভাৰতৰ পুৰুষৰ ফুটবল দলটো আজি দোহাত হ'বলগীয়া ২০২৬ চনৰ ফিফা বিশ্বকাপ এ এফ চি কোৱালিফায়াৰ প্ৰতিযোগিতাৰ এখন গুৰুত্বপূৰ্ণ খেলত এছিয়াৰ বৰ্তমানৰ চেম্পিয়ন কাটাৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৯ বাজি ১৫ মিনিটত আৰম্ভ হ'ব। কোৱালিফায়াৰ প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হ'বৰ বাবে ভাৰতে গ্ৰুপ-এৰ শীৰ্ষ দুটা স্থানৰ যিকোনো এটা দখল কৰিব লাগিব। ইপিনে প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰা দলসমূহে সমান্তৰালভাৱে ছৌদি আৰৱত হ'বলগীয়া ২০২৭ বৰ্ষৰ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ বাবেও যোগ্যতা অৰ্জন কৰিব।

তাৰকা খেলুৱৈ সুনীল চেত্ৰীৰ অৱসৰৰ পাছত আজিৰ খেলখনত গলকিপাৰ গুৰপ্ৰীত সিঙে ভাৰতীয় দলক নেতৃত্ব দিব।

বৰ্তমান প্ৰতিযোগিতাৰ গ্ৰুপ-এত কাটাৰ ১৩ পইণ্টেৰে শীৰ্ষত আছে। দলটোৱে ইতিমধ্যে পৰৱৰ্তী ৰাউণ্ডত নিজৰ স্থান নিশ্চিত কৰিছে। ভাৰতে বৰ্তমান ৫খন খেলৰ পৰা ৫ পইণ্ট অৰ্জন কৰি উন্নত গ'ল ব্যৱধানৰ ভিত্তিত দ্বিতীয় স্থানত আছে। গ্ৰুপ-এত আফগানিস্তান তৃতীয় আৰু কুৱেইট চতুৰ্থ স্থানত আছে।

oooooooo

পাকিস্তান আজি নিউয়ৰ্কৰ নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। পাকিস্তান এতিয়ালৈকে খেলা দুয়োখন খেলতে পৰাজিত হৈছে। আনহাতে, কানাডাই নিজৰ অন্তিমখন খেলত আয়াৰলেণ্ডক ১২ ৰানত পৰাস্ত কৰিছে।

ইপিনে, দক্ষিণ আফ্ৰিকাই যোৱা নিশা নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত বাংলাদেশক ৪ ৰানত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত ২০ অ'ভাৰত ৬টা উইকেট হেৰুৱাই ১১৩ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত বাংলাদেশে নিৰ্ধাৰিত ২০ অ'ভাৰত ৭টা উইকেট হেৰুৱাই ১০৯ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ooooooo

**সমাপ্ত**